সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্রেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বৈকল্পিক)



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

পাঠ - ১৩

কানাইৰ চাতুৰী

অংশ - ২

অংগৰাগ ভূঞা

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। অতি চমু উত্তৰ দিয়া —

(ক) কৃষ্ণক টোপনিৰ পৰা জগাবলৈ কোনে আহি যশোদাক কৈছিল?


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- কৃষ্ণক টোপনিৰ পৰা জগাবলৈ গোপ শিশুসকলে আহি যশোদাক কৈছিল।



(খ) কৃষ্ণই কিমান দিন টোপনিৰ পৰা নুঠাকৈ আৰু নোখোৱাকৈ থাকিব বুলি মাকক জনাইছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-কৃষ্ণই চাৰি-পাঁচ দিন টোপনিৰ পৰা নুঠাকৈ আৰু নোখোৱাকৈ থাকিব বুলি মাকক জনাইছিল।




(গ) দেৱতাসকলক অমৃত খুৱাবলৈ কৃষ্ণই কি ৰূপ ধাৰণ কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-দেৱতাসকলক অমৃত খুৱাবলৈ কৃষ্ণই মোহিনী ৰূপ ধাৰণ কৰিছিল।



(ঘ) কপিল মুনিৰ মাতৃ কোন আছিল?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-কপিল মুনিৰ মাতৃ দেৱহুতি।



(ঙ) কি ৰূপ ধাৰণ কৰি কৃষ্ণই বলিক ছলনা কৰিছিল?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-বামন ৰূপ ধাৰণ কৰি কৃষ্ণই বলিক ছলনা কৰিছিল।



২। তথাপি তোহাক দেখন্তে ডৰত
উৰি যায় মোৰ জীউ।
— এইষাৰ কাৰ উক্তি? কাক দেখি, কিয় তেওঁৰ ভয়তে জীউ উৰি যায় বুজাই লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-এইষাৰ শ্রীকৃষ্ণৰ উক্তি। মাতৃ যশোদাক দেখি শ্রীকৃষ্ণৰ ভয়তে জীউ উৰি যায়।


এই কবিতাটোত কৃষ্ণৰ মায়াৰী ৰূপৰ প্রতিফলন কৰিবলৈ চেষ্টা কৰা হৈছে। যশোদাৰ মতে শ্রীকৃষ্ণ হৈছে এজন সাধাৰণ শিশু আৰু তেওঁৰ পুত্র। এটি শিশুক যেনেকৈ মাকে শাসন কৰে, দুষ্টালি কৰিলে শাস্তি দিয়ে ঠিক সেইদৰে যশোদাইও শ্রীকৃষ্ণক শাসন কৰে আৰু দুষ্টালি কৰিলে শাস্তি দিয়ে। এদিন ৰাতিপুৱা শ্রীকৃষ্ণ শুই থাকোতে গোপৰ শিশুসকলে সিহঁতৰ লগত খেলিবৰ বাবে কৃষ্ণক জগাই দিবলৈ মাতৃ যশোদাক অনুৰোধ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

তাৰ পাছত মাতৃ যশোদাই শ্ৰীকৃষ্ণক মাতিবলৈ ল'লে আৰু কিহৰ বাবে ইমান দেৰিলৈকে শুই আছে তাকে কৈ খং কৰিলে। সেই কথা শুনি শ্ৰীকৃষ্ণই মাকক আৰু নজগাবলৈ অনুৰোধ কৰিলে। তেওঁ চাৰি-পাঁচ দিন গৰু চৰাবলৈ নগৈ, নাখায় শুই থাকিব বুলি ক'লে। কাৰণ তেওঁ যশোদাৰ মূৰত জাপি দিয়া কলংকৰ বোজা আৰু সহ্য কৰিব নোৱাৰে। তেওঁ হেছে ভগৱান নাৰায়ন আৰু যশোদা হৈছে সামান্য গোৱালৰ জী। তথাপিও যশোদাক দেখিলে শ্ৰীকৃষ্ণৰ ভয়তে জীউ উৰি যায়।

৩। "মোহিনী স্বৰূপে অমৃত পিয়ালো
সধিলো দেৱৰ কাম।"
— কোনে মোহিনী ৰূপ ধাৰণ কৰিছিল? তেওঁ কাক অমৃত খুৱাই দেৱতাৰ কাৰ্য সাধন কৰিছিল; খৰচি মাৰি লিখা।



উত্তৰঃ-শ্রীকৃষ্ণই মোহিনী ৰূপ ধাৰণ কৰিছিল। তেওঁ দেৱতাসকলক অমৃত খুৱাই দেৱতাৰ কার্য সাধন কৰিছিল।

দেৱতা আৰু অসুৰসকলে মিলি সমুদ্র মন্থন কৰোঁতে সমুদ্রৰ গর্ভৰ পৰা মণি-মুকুতা, ৰত্নকে ধৰি কলাহল বিষ আৰু অমৃতো ওলাইছিল। অমৃত পান কৰিলে যে অমৰত্ব লাভ হয় সেই কথা জ্ঞাত হোৱাৰ বাবে দেৱতা আৰু অসুৰসকলৰ মাজত অমৃতৰ কলহটোক লৈ টনা-আঁজোৰা লাগিছিল। দেৱতাসকলে জানিছিল যে, দেৱতাসকলৰ দৰে যদি অসুৰসকলেও অমৃত খাৱলৈ পায় তেনেহ'লে অসুৰসকলো দেৱতাসকলৰ দৰে অজৰ-অমৰ হ'ব

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

আৰু গোটেই পৃথিৱীখনেই অধর্মৰে ভৰি পৰিব। সেয়েহে দেৱতাসকলক সহায় কৰাৰ উদ্দেশ্যে কৃষ্ণই মোহিনী ৰূপ ধাৰণ কৰিছিল অর্থাৎ, এগৰাকী সুন্দৰীৰ ৰূপ লৈ নির্দিষ্ট ঠাইত উপস্থিত হোৱাত সকলো সেই সুন্দৰীৰ ৰূপত আকৃষ্ট হৈছিল। অসুৰসকল মোহিনীৰ ৰূপত ভোল গৈ থকাৰ সময়তেই দেৱতাসকলে অমৃত খায় শেষ কৰিছিল। এইদৰে কৃষ্ণই মোহিনীৰ ৰূপ ধাৰণ কৰি দেৱতাসকলৰ কার্য সাধন কৰিছিল।

৪। মাকৰ কি কি গুণৰ কথা ক'বলৈ শিশু কৃষ্ণৰ লাজ লাগে বুলি কৈছিল? কথাখিনি তোমাৰ নিজৰ কথাৰে বহলাই লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা


Under CSR Support by
ipca | Foundation

উত্তৰঃ-কৃষ্ণ হৈছে জগতপতি বিষ্ণুৰ পূৰ্ণ অৱতাৰ। যশোদাৰ একান্ত ভক্তিত বিষ্ণু সন্তুষ্ট হৈ পুত্ৰ ৰূপে জন্ম গ্ৰহণ কৰিছিল।

কৃষ্ণই আপত্তি দৰ্শাইছে যে, বাহৰ বাঁহী বজাই কৃষ্ণৰ দুই ওঁঠ ফাটি তেজ বৈ গৈছে যদিও, মাকে এই কথা জানিও তেওঁক এটা সোণৰ বাঁহী গঢ়াই নিদিয়ে। তেওঁ ৰাজপটেশ্বৰী যশোদাক কৈছে যে, মাটিত পুতি থওঁতে থওঁতে তেওঁৰ ধনত জুই লাগিব। গৰু চ'ৰাবলৈ যোৱা কৃষ্ণৰ হাতত মাকে যি এমুঠি ভাত দি পঠায় সেই খাদ্যও তেওঁৰ আধাপেটিহে হয়। নটুৱা টনাক পিন্ধি অৰ্থাৎ, সৰু গামোচাৰ দৰে পোছাক পিন্ধি দিনটো গৰু চ'ৰাই থাকোঁতে তেওঁক কাঁইটে বিন্ধে অথচ মাকৰ খবৰে নাই।

চুলিত তেল অকণো সানি নিদিয়াত তেওঁৰ কেঁকোৰা চুলিত ধূল পৰি প্ৰকাণ্ড জঁটা বান্ধি গৈছে। এইবোৰ কথা ভাবিলে কৃষ্ণৰ মনটো দুখেৰে ভৰি পৰে আৰু কান্দোন ওলাই আহিব খোজে।

মাকৰ এইবোৰ গুণৰ কথা ক'বলৈ কৃষ্ণৰ লাজ লাগে বুলি পাঠটোত বৰ্ণনা কৰা হৈছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৫। চমু টোকা লিখা —

(ক) বামন

(খ) দেবহুতি

(গ) কপিল

(ঘ) শ্রীধৰ কন্দলী

(ঙ) দৈৱকী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


বামন পঞ্চম অৱতাৰ

উত্তৰঃ-বামন হৈছে বিষ্ণুৰ পঞ্চম অৱতাৰ। বিষ্ণুৱে বাওনা মানুহৰ ৰূপ লৈ এই অৱতাৰ ধাৰণ কৰিছিল। এওঁ দৈত্যৰাজ বলিৰ যজ্ঞলৈ আহি তিনি পদ ভূমি বিচৰাৰ ছলেৰে তেওঁক পাতাললৈ পঠাইছিল। দৈত্যৰাজ বলি আছিল এজন শক্তিশালী ৰজা। তেওঁ সকলোকে যি বিচাৰে তাকে দান কৰিছিল। দান কৰোঁতে কৰোঁতে নিজকে দানী বুলি বলিৰ অহংকাৰ জন্মিছিল। বলিৰ এই অহংকাৰ নাশ কৰিবৰ বাবে বিষ্ণুৱে বামন ৰূপ ধাৰণ কৰিছিল আৰু বলিক তিনিপদ ভূমি বিচাৰিছিল। বলিয়ে বামনক তিনি পদ ভূমি দান দিয়াত বামনে এক পদেৰে স্বৰ্গ এক পদেৰে পাতাল অধিকাৰ কৰি বলিক ক্ষমতাচ্যুত কৰিছিল।


দানী হোৱাৰ বাবে বলিৰ যি অহংকাৰ জন্মিছিল সেই অহংকাৰ বামনে নাশ কৰিছিল।



(খ) দেৱহুতিঃ- দেৱহুতি হৈছে স্বায়ম্ভূৱ মুনিৰ কন্যা। তেওঁৰ স্বামীৰ নাম আছিল কর্দ্দম মুনি। তেওঁৰ পুত্ৰ আছিল কপিল মুনি। তেওঁক বিষ্ণুৰ অন্য এক অৱতাৰ বুলিও কোৱা হয়।



(গ) কপিলঃ- এওঁ হৈছে এজন প্রসিদ্ধ মুনি। কর্দ্দম মুনি আৰু স্বায়ম্ভুৱ মুনিৰ কন্যা দেৱহুতিৰ পুত্র হৈছে কপিল মুনি। এওঁৰ শাপত সৰগ ৰজাৰ ষাঠিৰ হাজাৰ পুত্র ভষ্মীভূত হয়। এওঁক বিষ্ণুৰ আন এক অৱতাৰ বুলিও ধৰা হয়।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) শ্রীধৰ কন্দলীঃ- শ্রীধৰ কন্দলী মহাপুৰুষ শংকৰদেৱৰ পৰৱৰ্তী কালৰ কবি। এওঁৰ কাব্যত বৈষ্ণৱ ধৰ্মৰ প্রভাৱ সুস্পষ্ট। কন্দলীয়ে 'কাণখোৱা' আৰু 'ঘুনুচা কীৰ্ত্তন' নামৰ দুখন কাব্য ৰচনা কৰে। কাণখোৱা পুথিখন নিচুকনি গীতৰ আৰ্হিত ৰচনা কৰা। ইয়াত বিষ্ণুৰ অৱতাৰৰ লীলা-মাহাত্ম্য সহজ-সৰল আৰু প্রাঞ্জল-ভাষাত বৰ্ণনা কৰিছে। ইয়াত শ্রীকৃষ্ণৰ ঈশ্বৰত্ব আৰু মানৱ-শিশুত্বৰ ভাৱ কবিয়ে সুন্দৰভাৱে ফুটাই তুলিছে। পুথিখন দুটা অংশত ভাগ কৰিব পাৰি। প্রথম অংশত কাণখোৱাৰ কথা শুনি ভয়ত টোপনি যোৱা আৰু দ্বিতীয় অংশত ৰাতিপুৱা টোপনিৰ পৰা মাকে জগাবলৈ যোৱাত তেওঁ অভিমানত মাককে কোৱা নানা কথাৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ঙ) দৈৱকীঃ- দৈৱকী হৈছে শ্ৰীকৃষ্ণৰ জন্মদাত্ৰী মাতৃ। তেওঁ বসুদেৱৰ পত্নী আৰু মথুৰাৰ ৰজা কংসৰ ভৈনীয়েক। কংসই ভনীয়েকক বহুত মৰম কৰিছিল আৰু বসুদেৱৰ সৈতে বিয়া পাতি দিছিল। এদিন হঠাৎ আকাশবাণী হ'ল যে দৈৱকীৰ অষ্টম পুত্ৰৰ হাতত কংসৰ মৃত্যু নিশ্চিত। এই কথা গম পায় কংসই দৈৱকী আৰু বসুদেৱক কাৰাগাৰত বন্দী কৰি থৈছিল। দৈৱকীৰ সন্তান জন্ম হোৱাৰ লগে লগেই প্ৰতিটো সন্তনকে কংসই হত্যা কৰিছিল। দৈৱকীৰ গৰ্ভৰ অষ্টম পুত্ৰই হৈছে শ্ৰীকৃষ্ণ। পাছত শ্ৰীকৃষ্ণই কংসক বধ কৰি নিজ পিতৃ-মাতৃক কাৰাগাৰৰ পৰা মুক্তি কৰিছিল।

৬। পাঠটিৰ কাহিনীভাগ তোমাৰ নিজৰ কথাৰে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-এই পাঠত উদ্ধৃত পাঠটি 'কাণখোৱা' পুথিৰ দ্বিতীয় অংশৰ পৰা কিছু অংশ বাদ দি তুলি দিয়া হৈছে। পাঠটিত শিশুকৃষ্ণৰ ঈশ্বৰত্বৰ পৰিৱৰ্তে সাধাৰণ অভিমানেৰে ভৰা মানৱ শিশু এটিৰ চিত্ৰ বৰ্ণিত হৈছে, যি পঢ়োঁতাক নিজৰ স্বৰূপৰ লগত একীভূত হৈ পৰাত অৰিহণা যোগাইছে। ইয়াত কৃষ্ণৰ মানৱীয় ৰূপ প্ৰকট হৈ উঠাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ ঐশ্বৰিক দিশটো পাহৰি নিজৰ কৰ্মৰাজিৰ লগত সাদৃশ্য উপলব্ধি কৰি আনন্দ পোৱাতেই পাঠটিৰ গুৰুত্ব নিৰ্ভৰ কৰিছে।

কানাইৰ চাতুৰী পাঠটিত শ্ৰীকৃষ্ণৰ শিশুসুলভ চৰিত্ৰৰ প্ৰদৰ্শন কৰা হৈছে।

এদিনাখন কৃষ্ণই ছল কৰি দুপৰীয়ালৈকে শুই থকাত তেওঁক বিচাৰি নন্দৰজাৰ ঘৰত গোপ শিশুসকল উপস্থিত হয় আৰু মাতৃ যশোদাক কৃষ্ণক খেলিবৰ বাবে জগাই দিবলৈ অনুৰোধ কৰে। শিশুসকলৰ কথা শুনি যশোদাই আহি কৃষ্ণক জগাই কিন্তু কৃষ্ণই অভিমান কৰি মাকক ক'লে যে তেওঁ চাৰি-পাঁচ দিনৰ লৈকে নুঠোঁ আৰু নাখাওঁ। যশোদাৰ ঘৰত তেওঁ যিমান কষ্ট পাইছে তেওঁৰ প্ৰাণে আৰু নসহা হৈছে।

কৃষ্ণই লগতে নিজৰ পৰম পুৰুষত্বৰ ইংগিত দি ক'লে যে, তেওঁ স্বয়ং নাৰায়ণ আৰু যশোদা এগৰাকী সাধাৰণ গোৱালৰ জীয়াৰী। মই যিমান খাই শুই থাকিলেও শৰীৰৰ শ্ৰীবৃদ্ধি নহয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

নিজে ব্রহ্মাণ্ডৰ স্ৰষ্টা আৰু প্ৰতিপালক হৈয়ো মই তোমাৰ ঘৰত গৰু চৰায় কৰকৰা ভাত ভক্ষণ কৰি সাধাৰণ শিশুৰ দৰে জীৱন অতিবাহিত কৰিছো।

নাৰায়ণৰূপে মই জলত অনন্ত শয্যাত শয়ন কৰো, মোৰ নাভিপদ্মৰ পৰাই ব্রহ্মা জাত হৈছে। মানুহৰ অজ্ঞানতা দূৰ কৰিবৰ কাৰণে মই ব্রহ্মাৰ যোগেদি বেদৰ জ্ঞান জনসমাজত প্ৰচাৰ কৰালোঁ। তোমাৰ ঘৰলৈ আহি মোৰ সকলো ঐশ্বৰ্য ধূলিত পৰিণত হ'ল। দেৱতাসকলে অসুৰৰ ভয়ত মোক চিন্তা কৰাত মোৰ চতুৰ্ভূজ ৰূপ দেখি ত্ৰিদশৰ সকলো মোহিত হৈছিল। এতিয়া তুমি মোক কলীয়া কলীয়া বুলি মাতি অপমান কৰিছা।


মোহিনীৰ ৰূপ ধাৰণ কৰি দেৱতাৰ মংগল সাধন কৰিলো। মোক তুমি দধিচোৰ নামহে দিলা। কপিল অৱতাৰত মাতৃ দেৱহুতিক ধৰ্মৰ তত্ত্ব উপদেশ দি, বামণ অৱতাৰত মই বলিক ছলনা কৰিছিলো। কিন্তু, তুমি মোক মাটিখোৱা বুলি ককর্থনাহে কৰিলা। মোৰ ইমানবোৰ মহিমা দেখাৰ পাছতো তোমাৰ মনত আক্রোশৰ শেষ নাই।

ইমান দিনে কাঠবাঁজী বুলি সমস্ত জগতে তোমাক হাঁহিলে। মই পুত্ৰৰূপে উপজি তোমাৰ সেই দুখ দূৰ কৰিলো। তথাপিও তুমি মোৰ মৰম নুবুজিলা। ৰাজপটেশ্বৰী হৈয়ো তুমি ছয়ৰতি খৰচ কৰি মোক এটা সোণৰ বাঁহী বনাই দিব নোৱাৰিলা। বাঁহৰ বাঁহী বজাই মোৰ দুই ওঁঠ ফাটি গৈছে।

গৰু চৰাওঁতে ধূলি লাগি মোৰ কেঁকোৰা চুলিত জটা বান্ধিছে। কিমান দিন যে মূৰত তেল সানিবলৈ আহৰি পোৱা নাই। এইবোৰ কথা ক'বলৈ গ'লে মোৰ চকুলো নিগৰি পৰে। ইমানবোৰ দুখ-কষ্ট সহ্য কৰিব নোৱাৰি মই বৃন্দাবন এৰি মথুৰালৈ গুচি যামগৈ। তোমাৰ কাষৰ পৰা গৈ মই দেৱকী আইৰ ওচৰ পামগৈ।

তেতিয়াহে তুমি মোৰ মৰম বুজি পাবা। কৃষ্ণৰ কথা শুনি যশোদাই পুনৰ কৃষ্ণক চেনেহ কৰিবলৈ ধৰিলে আৰু ক'লে যশোদাৰ বৰ ভুল হৈছে। গতিকে আজিৰ পিছত যদি এনে দোষ দেখে তেন্তে কৃষ্ণই মাকক গালি পাৰিব। মাকৰ কাতৰভৰা কথা শুনি কৃষ্ণই একে দেৰে গৈ মাকৰ কোলাত উঠি স্তনপান কৰিবলৈ ধৰিলে। যশোদায়ো কৃষ্ণৰ মুখলৈ চাই পৰম শান্তি পালে।

৭। কৃষ্ণই বিভিন্ন সময়ত কি কি অৱতাৰ ধাৰণ কৰি কেনে কাৰ্য সাধন কৰিছিল পাঠৰ আলমত বৰ্ণনা কৰা।




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-কৃষ্ণই বিভিন্ন সময়ত বিভিন্ন অৱতাৰ ধাৰণ কৰিছিল আৰু বিবিধ কার্য সাধন কৰিছিল। নাৰায়ণৰূপে জলত অনন্ত শয্যাত শয়ন কৰিছিল। তেওঁৰ নাভিপদ্মৰ পৰাই ব্ৰহ্মাক ওপজাই বেদৰ জ্ঞান দিছিল। চতুর্ভূজ ৰূপ ধাৰণ কৰি সমস্ত দেৱতাসকলক উদ্ধাৰ কৰিছিল। মোহিনীৰ ৰূপ ধাৰণ কৰি দেৱতাসকলক অমৃত পান কৰাইছিল। কপিল ৰূপ ধাৰণ কৰি কর্দ্দম মুনি আৰু দেৱহুতিৰ পুত্ৰৰ হিচাপে জন্ম গ্ৰহণ কৰিছিল আৰু তত্ত্ব বিচাৰ কৰি দেৱহুতিৰ মাতৃক উদ্ধাৰ কৰিছিল। বামন ৰূপ ধাৰণ কৰি বলি ৰজাক ছলনা কৰিছিল।

৮। কবিতাটোত 'কাঠবাঁজী' বুলি কাক কৈছে? ইয়াৰ অৰ্থ কি? এই অপবাদৰ পৰা তেওঁক কোনে ৰক্ষা কৰিলে?




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-কবিতাটোত "কাঠবাঁজী" বুলি যশোদাক কৈছে। "কাঠবাঁজী" অর্থ হৈছে সন্তান জন্ম দিব নোৱৰা তিৰোতা।


এই অপবাদৰ পৰা তেওঁক শ্রীকৃষ্ণই ৰক্ষা কৰিলে।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৯। তাৎপর্য ব্যাখ্যা কৰা —



(ক) কাঠবাঁজী বুলি জগতে হাসয়
দেখিলে সুমৰো হৰি।
মই আসি তোৰ ঘৰে পুত্ৰ ভৈলো
সিটো দুখ দূৰ কৰি।।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-উক্ত কবিতাফাকি আমাৰ পাঠ্যপুথিৰ অন্তর্গত শ্রীধৰ কন্দলি বিৰচিত 'কানাইৰ-চাতুৰী' শীর্ষক কবিতাটিৰ পৰা তুলি দিয়া হৈছে।

উক্ত কবিফাকিৰ বক্তা হৈছে শ্রীকৃষ্ণ। তেওঁ যশোদাৰ ওচৰত বিভিন্ন কথাৰে আপত্তি দর্শাই আছে, মাকে তেওঁক মৰম নকৰে বুলি। সেই কথাৰ প্রসংগতে উক্ত কবিশাৰী অৱতাৰণা কৰা হৈছে।

যশোদাৰ নিজৰ সন্তান নাই অর্থাৎ তেওঁ সন্তান জন্ম দিব পৰা ক্ষমতাৰ অধিকাৰী নাছিল। কৃষ্ণক যদিও যশোদাৰ সন্তান বুলি জগতে জানিছিল তথাপি তেওঁ প্রকৃততে দৈৱকীৰ গর্ভতহে উপজিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

যদিহে কৃষ্ণ যশোদাৰ ঘৰত ডাঙৰ-দীঘল নহ'লহেঁতেন, তেন্তে যশোদাক সকলোৱে কাঠবাঁজী বুলি ঠাট্টা কৰিলেহেঁতেন। সেই অপবাদৰ পৰা যশোদাক কৃষ্ণইহে ৰক্ষা কৰিছিল।

দৰাচলতে যশোদা হৈছে পৰম বিষ্ণু ভক্ত। ভগৱানে ভক্তৰ দুখ সদায় দূৰ কৰে। এনেহেন ভক্ত এগৰাকীয়ে কষ্ট পোৱাটো ভগৱানে সহ্য কৰিব নোৱাৰে। সেয়ে যশোদাৰ দুখ দূৰ কৰিবলৈ পুত্রৰ কামনা কৰা এইগৰাকী মাতৃৰ পুত্রৰূপে তেওঁৰ ঘৰত প্রৱেশ কৰিছিল স্বয়ং বিষ্ণুৱে। যশোদা হৈছে পৰম সৌভাগ্যৱতী নাৰী যাৰ মনোবাঞ্ছা পূৰণ হৈছিল।

মাকে কৃষ্ণক শাসন কৰাত কৃষ্ণই ঠেহ পাতি মাকক এই কথাবোৰ সোঁৱৰাই দিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। তাৎপর্য ব্যাখ্যা কৰা —

(খ) মোহিনী স্বৰূপে অমৃত পিয়ালো
সাধিলো দেৱৰ কাম।
তোমাৰ ঘৰে আসি বৰ যশ পাইলো
লৈলো দধিচোৰ নাম।।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-উক্ত কবিতাফাকি আমাৰ পাঠ্যপুথিৰ অন্তৰ্গত শ্ৰীধৰ কন্দলি বিৰচিত 'কানাইৰ-চাতুৰী' শীৰ্ষক কবিতাটিৰ পৰা তুলি দিয়া হৈছে।

উক্ত কবিতাফাকিৰ বক্তা হ'ল শ্ৰীকৃষ্ণ। তেওঁ মাকৰ ওচৰত অভিযোগ কৰি নিজৰ মহিমাৰ বিষয়ে মাকক কৈছে যাতে মাকে তেওঁক মৰম কৰে। কিয়নো কৃষ্ণৰ ভাৱ হৈছে মাক যশোদাই তেওঁক আদৰ-সন্মান নকৰে।

কৃষ্ণ হৈছে ভগৱান বিষ্ণুৰ এটা অৱতাৰ। ভগৱানে যুগে যুগে বিভিন্ন ৰূপ ধাৰণ কৰি ভক্তসকলক ৰক্ষা কৰি আহে। ভগৱানৰ তেনে এক ত্ৰাণকৰ্তাৰ ৰূপেই হৈছে মোহিনী ৰূপ।

কৃষ্ণই মোহিনী ৰূপ ধাৰণ কৰি দেৱতাক অমৃত খুৱাই অমৰত্ব প্ৰদান কৰিছিল। দেৱতা আৰু অসুৰসকলে মিলি সমুদ্ৰ মন্থন কৰোঁতে অমৃতৰ কলহ ওলাইছিল। অমৃত খোৱাৰ লগে লগে খাওঁতাজন অমৰ হৈ পৰে। অমৃতৰ কলহ লৈ দেৱতা আৰু অসুৰৰ মাজত টনা-আজোৰা লগাত দেৱতাসকলে বৰ ভয় খাইছিল। কিয়নো, অসুৰে অমৰত্ব লাভ কৰিলে পৰম সংকট হ'ব। এই পৰম সংকটৰ পৰা ৰক্ষা পাবলৈ দেৱতাসকলে বিষ্ণু বা কৃষ্ণক স্তুতি কৰাত। দেৱতাসকলক সহায় কৰাৰ উদ্দেশ্যে কৃষ্ণই মোহিনী ৰূপ ধাৰণ কৰি নিৰ্দিষ্ট ঠাইত উপস্থিত হৈছিল।

সকলো সেই সুন্দৰীৰ ৰূপত আকৃষ্ট হৈছিল; এই ছেগতে মোহিনীৰূপী কৃষ্ণই অমৃতৰ কলহ হাতত তুলি লৈ দেৱতা-অসুৰৰ মাজত অমৃত ভগাই দিয়াৰ দায়িত্ব লৈছিল। মোহিনীৰূপী কৃষ্ণই দেৱতা আৰু অসুৰক দুয়োফালে দুটা বেলেগ শাৰী কৰি বহুৱাই লৈ দেৱতাৰ শাৰীত অমৃত ভগাই দি অসুৰসকলক অমৃত বুলি 'বাৰুণি' নামৰ সুৰা ভগাই দিছিল। অর্থাৎ, দেৱতাসকলেহে কেৱল অমৃত পান কৰিবলৈ পাইছিল। এনেদৰেই কৃষ্ণই মোহিনী ৰূপ ধাৰণ কৰি দেৱতাসকলক সহায় কৰিছিল। এনে কৃষ্ণক পিছে মাকে 'দধিচোৰ' বুলিহে কয়।

যিজনে হাতত থকা অমৃত নিজে নাখাই দেৱতাক খুৱাইছিল, তেওঁ সামান্য দৈ চুৰ কৰাৰ কি কাৰণ থাকিব পাৰে? কৃষ্ণই এনে উদাহৰণেৰে মাকক কৃত্রিম খং দেখুৱাই নিজৰ দুষ্টালি ঢাকিব বিচাৰিছে।




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। তাৎপর্য ব্যাখ্যা কৰা —

(গ) মই নাৰায়ণ জগত কাৰণ
তুমি গোৱালৰ জীউ।
তথাপি তোহাক দেখন্তে ডৰত
উৰি যায় মোৰ জীউ।।



উত্তৰঃ-উক্ত কবিতাফাকি আমাৰ পাঠ্যপুথিৰ অন্তৰ্গত শ্রীধৰ কন্দলি বিৰচিত 'কানাইৰ-চাতুৰী' শীৰ্ষক কবিতাটিৰ পৰা তুলি দিয়া হৈছে।

উক্ত কবিতাফাকিৰ বক্তা হৈছে শ্রীকৃষ্ণ। তেওঁৰ মাক যশোদাই তেওঁক মৰম-আদৰ নকৰে বুলি অভিযোগ কৰি নিজৰ গুণ-মাহাত্ম্যৰ বৰ্ণনা কৰিছে মাকৰ সন্মুখত। কৃষ্ণ হৈছে স্বয়ং বিষ্ণুৰ অৱতাৰ। দুষ্টক দমন আৰু শান্তক পালনৰ অৰ্থে ভগৱান বিষ্ণুৱে কৃষ্ণ অৱতাৰেৰে যশোদাৰ ঘৰ শুৱাইছে। তেওঁ হৈছে স্বয়ং নাৰায়ণ। যি জগতৰ কাৰণ। চৰাচৰ জগতৰ সৃষ্টিকর্তা তেৱেঁই আত্মাৰূপে সকলোকে ধাৰণ কৰিছে। কবিতাটোত কৃষ্ণৰ মানৱীয় ৰূপ এটা প্রতিফলিত কৰিবলৈ চেষ্টা কৰা হৈছে।

কবিতাটোত কৃষ্ণ হৈছে এটি সাধাৰণ শিশু। যশোদা হৈছে কৃষ্ণৰ মাতৃ। এটি শিশুক মাকে যেনেকৈ শাসন কৰে, কৃষ্ণকো যশোদাই দুষ্টালি কৰিলে শাস্তি দিয়ে। পুৱা সোনকালে শুই নুঠাত মাকে কৃষ্ণক খং কৰে আৰু কেতিয়াবা বান্ধিও থয়। মাকে কৃষ্ণৰ ৰূপক ইতিকিং কৰি 'কলীয়া' বুলি মাতে। দধি চো�ৰ, মাটি খোৱা বুলি মাকে কৃষ্ণক মুঠতে জগতৰ সকলো মাতয়ে কৰাৰ দৰে ডাঙৰ-দীঘল কৰিছে। মাক যশোদাৰ খং উঠা দেখিলে কৃষ্ণই এটি শিশুৰ দৰে ভয় খায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দৰাচলতে যশোদা হৈছে পৰম বিষ্ণু ভক্ত। তেওঁৰ ভক্তিত সন্তুষ্ট হৈয়েই কৃষ্ণই দৈৱকীৰ গৰ্ভত জন্ম লৈও প্ৰকৃত মাতৃ হোৱাৰ গৌৰৱ প্ৰদান কৰিছিল যশোদাকহে। যশোদাক মাতৃত্বৰ সুখ দিবলৈ ভগৱানে পুত্ৰৰূপে জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পৰম ব্ৰহ্মত্বৰ ৰূপ দেখিলে যশোদা সেই সুখৰ পৰা বঞ্চিত হ'ব। সেয়ে সাধাৰণ শিশুৰ ৰূপ ধৰি তেওঁ যশোদাৰ মনোবাঞ্ছা পূৰণ কৰিছিল। যশোদাৰ ঘৰত তেওঁ মানৱীয় লীলা প্ৰদৰ্শন কৰি নানা চোৰ-চাতুৰীৰে সংসাৰ ধৰ্ম পালন কৰিছিল। এই লীলাৰেই অংশৰূপে কৃষ্ণই যশোদাক দেখি ভয় খোৱাৰ ভাও লৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

১। তলত দিয়া শব্দবোৰৰ আধুনিক ৰূপ লিখা:

(ক) আসি
(খ) খেড়ি
(গ) পুহাইল
(ঘ) নুজুৰাই
(ঙ) বিগুটিয়া
(চ) কিসৰ।


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

আসি	—	আহি
খেড়ি	—	খেলা
পুহাইল	—	পুৱাল
নুজুৰাই	—	জুৰ নপৰে
হন্তে	—	পৰা
বিগুটিয়া	—	ঠাট্টা কৰা

২। তলত দিয়া শব্দকেইটাৰ লিংগ পৰিবৰ্তন কৰা —



(ক) সুন্দৰী

(খ) মাতৃ

(গ) মামা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-



সুন্দৰী — সুন্দৰ

মাতৃ — পিতৃ

মামা — মামী

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৩। বিপৰীত শব্দ লিখা —

(ক) বিশ্বাস

(খ) দোষ

(গ) আনন্দ

(ঘ) অপমান

(ঙ) অমৃত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-


বিশ্বাস — অবিশ্বাস

দোষ — গুণ

আনন্দ — বিষাদ

অপমান — সন্মান

অমৃত — গৰল



ঙ- বিহ, বিষ